**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত নীতি আয়োগৰ পৰিচালনা পৰিষদৰ একাদশ বৈঠক অনুষ্ঠিত হৈছে।

২। কৃষকৰ কল্যাণ চৰকাৰৰ সৰ্বাধিক অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়সমূহৰ অন্যতম আৰু ই খেতিয়কসকলৰ জীৱন সুচল কৰি তোলাৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি কৰা নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ভাৰত আৰু বুলগেৰিয়াৰ মাজৰ সম্পৰ্ক দীৰ্ঘদিনীয়া আৰু সুস্থিৰ বুলি অভিহিত কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে ইথানল মিহলি পেট্ৰ'লৰ কেইবিধমান প্ৰকাৰৰ ওপৰত আৰোপিত আবকাৰী শুল্ক ৰেহাই দিছে।

আৰু

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ৰ ১৬ টা স্থানত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত নীতি আয়োগৰ পৰিচালনা পৰিষদৰ একাদশ বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত সমগ্ৰ দেশত উদ্যমশীলতা, দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ স্থায়ী সুযোগ সৃষ্টিৰ উপায় সম্পৰ্কে আলোচনা কৰা হ'ব। আলোচনাত শাসন, সাৰ্বজনীন ডিজিটেল আন্তঃগাঁথনি আৰু সহযোগিতা সহ ভালেমান গুৰুত্বপূৰ্ণ বিষয় ৰূপায়ণৰ পৰিকল্পনাৰ বিষয়কেইটাইও আগস্থান লাভ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৈঠকৰ পূৰ্বে সামাজিক মাধ্যমযোগে কয়, যে কেন্দ্ৰ আৰু ৰাজ্যসমূহে সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ মনোভাৱেৰে দেশৰ উন্নয়ন যাত্ৰা ত্বৰান্বিত কৰাৰ বাবে কাম কৰি আহিছে। তেওঁ কয়, যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ সমূহীয়া প্ৰচেষ্টাই বিকশিত ভাৰতৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

বিকশিত ভাৰত গঢ়াৰ বাবে টীম ইণ্ডিয়াৰ মানসিকতাৰে কাম কৰাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুযায়ী এই বৈঠকৰ বাবে 'বিকশিত ভাৰত, ২০৪৭-ৰ বাবে সৰ্বাত্মক মানৱ উন্নয়ন'ক বিষয়বস্তু হিচাপে বাছনি কৰা হৈছে। ইয়াৰ জৰিয়তে বয়স, অঞ্চল, লিংগ অথবা আৰ্থ-সামাজিক পৃষ্ঠভূমি নিৰ্বিশেষে প্ৰতিগৰাকী ভাৰতীয়ৰ কল্যাণ আৰু উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বৈঠকত দেশৰ বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকলে ভাগ লৈছে। সম্প্ৰতি দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও বৈঠকত অংশগ্ৰহণ কৰিছে।

০০০০০০০০০

কৃষকৰ কল্যাণ চৰকাৰৰ সৰ্বাধিক অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়সমূহৰ অন্যতম আৰু ই খেতিয়কসকলৰ জীৱন সুচল কৰি তোলাৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি কৰা নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে কৃষকসকল দেশৰ খাদ্য সুৰক্ষা, পৰিপুষ্টি আৰু সমৃদ্ধিৰ মূল ভেঁটিস্বৰূপ। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আৰু শস্য বীমা আঁচনিৰ দৰে উদ্যমসমূহে অকল খেতিয়কসকলৰ আয় সুৰক্ষিত কৰাই নহয়, বৰং কৃষিখণ্ডক অধিক সবল কৰি তুলিছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী কুসুম আঁচনিৰ জৰিয়তে কৃষকসকলে খেতিৰ বাবে সৌৰ শক্তি ব্যৱহাৰৰ সুবিধা লাভ কৰিছে আৰু আনুসংগিক ব্যয়ো হ্ৰাস পাইছে। কিষাণ ক্ৰেডিট কাৰ্ড খেতিয়ক, পশুপালক আৰু মীনপালকসকলৰ বাবে লাভদায়ক হিচাপে প্ৰমাণিত হোৱা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে ইয়াৰ জৰিয়তে তেওঁলোকে কৃষি আৰু অন্য অত্যাৱশ্যকীয় সামগ্ৰীৰ বাবে কম দৰত ঋণ

সহজে ঋণ লাভ কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ড্ৰোণ, ভূমি কাৰ্ড আৰু প্ৰাকৃতিক সাৰৰ সৈতে জড়িত উদ্যমসমূহেও খেতিয়কসকলৰ উৎপাদ বৃদ্ধিত সহায় কৰিছে। চৰকাৰে সমগ্ৰ দেশৰ খেতিয়কসকলক অত্যাধুনিক কৃষি সা-সুবিধা প্ৰদানত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। সংস্কৃতৰ হিতোপদেশৰ উদ্ধৃতি দি শ্ৰী মোদীয়ে কয়, যে কৃষি অকল জীৱিকাৰ মাধ্যমেই নহয়, বৰং সমাজ আৰু ৰাষ্ট্ৰক পুষ্টি যোগানৰ ভেঁটিস্বৰূপ। তেওঁ কয়, যে কৃষকৰ ঘাম মাটিত পৰিলে ই শস্যলৈ ৰূপান্তৰিত হয় আৰু মানৱ জীৱন ধাৰণৰ সম্বল হৈ পৰে।

ooooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ভাৰত আৰু বুলগেৰিয়াৰ মাজৰ সম্পৰ্ক দীৰ্ঘদিনীয়া আৰু সুস্থিৰ বুলি অভিহিত কৰিছে। বুলগেৰিয়াত দেশখনৰ বিদেশ মন্ত্ৰী ৰেলিছ্লাভা পেট্ৰ'ভা ছাম'ভাৰ সৈতে হোৱা সাক্ষাৎকালত ড° জয়শংকৰে কয়, যে উভয় দেশৰ বাবে এতিয়া এই সম্পৰ্ক অধিক গতিশীল আৰু উন্নত কৰাৰহে কথা। তেওঁ কয়, যে বৈঠকত দ্বিপাক্ষিক সহযোগিতা, ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ অংশীদাৰিত্ব আৰু গোলকীয় সুস্থিৰতা আৰু প্ৰগতিৰ বাবে শক্তিশালী ৰাষ্ট্ৰসমূহে কিদৰে একেলগে কাম কৰিব পাৰে, সেই লৈ আলোচনা কৰা হয়।

বাইট

ড° জয়শংকৰে কয়, যে ভাৰতে অৰ্থনৈতিক সুৰক্ষা, শেহতীয়া ব্যাঘাতৰ অভিজ্ঞতা আৰু সন্ত্ৰাসবাদৰ বৰ্ধিত ভাবুকি সন্দৰ্ভত স্পষ্ট স্থিতি গ্ৰহণ কৰি আহিছে। তেওঁ কয়, যে বৰ্তমান যুদ্ধৰ সময় নহয় আৰু আলোচনা তথা কুটনীতিৰ মাধ্যমেৰেহে সংঘৰ্ষৰ অৱসান ঘটাব পাৰি বুলি ভাৰতে বিশ্বাস কৰে। ড° জয়শংকৰে কয়, যে অৰ্থনৈতিক বিপদাশংকাৰ সমাধান শক্তিশালী যোগান শৃংখলা আৰু বিচিত্ৰতাৰ মাজত নিহিত হৈ আছে। সামুদ্ৰিক বাণিজ্যৰ ক্ষেত্ৰত কোনোধৰণৰ বাধা-বিঘিনি উৎপন্ন হ'ব নালাগে বুলি তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে ইথানল মিহলি পেট্ৰ'লৰ কেইবিধমান প্ৰকাৰৰ ওপৰত আৰোপিত আবকাৰী শুল্ক ৰেহাই দিছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে জাৰি কৰা অধিসূচনা অনুসৰি ২২, ২৫, ২৭ আৰু ৩০ শতাংশ ইথানল মিহলি পেট্ৰ'লৰ ক্ষেত্ৰত কেন্দ্ৰীয় আবকাৰী শুল্ক উঠাই লোৱা হৈছে। আমদানিকৃত খাৰুৱা তেলৰ ওপৰ নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে কাৰ্বনৰ নিৰ্গমন কম কৰা আৰু ঘৰুৱাভাৱে উৎপাদিত ইথানলৰ চাহিদা বৃদ্ধিৰ বাবে গ্ৰহণ কৰা ইথানল মিহলি কাৰ্যসূচী সুদৃঢ় কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে।

ooooooooo

ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং ট'বগেই এখন ৰাষ্ট্ৰীয় দৈনিক কাকতৰ এটা প্ৰৱন্ধত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাৰতৰ দীৰ্ঘ সময়ৰ নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাৰ বাবে অভিনন্দন জনাইছে। ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীমোদীক এগৰাকী বিশ্বাসযোগ্য বন্ধু, জ্যেষ্ঠ ভাতৃ আৰু পথ প্ৰদৰ্শক বুলি অভিহিত কৰিছে। শ্ৰীট'বগেই ২০১৪ চনৰ ২৬ মে'ত শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাতৰ কথা সোঁৱৰাৰ লগতে লগতে শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে প্ৰথমেই ভূটান ভ্ৰমণৰ গুৰুত্বত আলোকপাত কৰে। তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ কাম কৰাৰ নীতি, নম্ৰতা তথা জনসেৱাৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰশংসা কৰি শ্ৰীমোদীৰ নেতৃত্বত ভাৰতৰ অৰ্থনৈতিক বিকাশ, উন্নত প্ৰযুক্তি, আন্তঃগাঁথনিৰ উন্নয়ন আৰু শক্তিশালী গোলকীয় স্থিতিৰ সাক্ষী হৈছে বুলি উল্লেখ কৰে।

oooooooo

বিশিষ্ট ছবি নিৰ্মাতা ভাৰতীৰাজাৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ভাৰতীৰাজা চিনেমা জগতৰ এগৰাকী বৰেণ্য ব্যক্তি আছিল যিয়ে তামিল চিনেমাক নতুন ৰূপ দিছিল। তেওঁৰ ছবিত গ্ৰাম্য জীৱনক বিশেষভাৱে প্ৰদৰ্শন কৰা হৈছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে লগতে ভাৰতীৰাজাৰ পৰিয়াল আৰু অনুগামীসকললৈ সমবেদনা জ্ঞাপন কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো প্ৰবীন ছবি নিৰ্মাতাগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰীবিৰলাই কয়, যে ভাৰতীৰাজাৰ দূৰদৰ্শী চিন্তাধাৰা আৰু গ্ৰাম্য জীৱনৰ সুন্দৰ প্ৰতিফলনে তামিল চিনেমাক এটা বিশেষ পৰিচয় প্ৰদান কৰাৰ উপৰি

কেইবাখনো ছবিয়ে ভাৰতীয় চিনেমাকো সমৃদ্ধ কৰি গৈছে। ভাৰতীৰাজাৰ এই অৱদানে ছবি নিৰ্মাতা আৰু শিল্পীসকলক প্ৰজন্মলৈ অনুপ্ৰাণিত কৰি যাব বুলি শ্ৰীবিৰলাই উল্লেখ কৰে।

০০০০০০০০

তৃণমূল কংগ্ৰেছৰ সাংসদ প্ৰকাশ চিক বৰাইকে ৰাজ্যসভাৰ সদস্যপদ ত্যাগ কৰিছে। সাংসদগৰাকীয়ে ইতিমধ্যে ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। ইয়াৰ পূৰ্বে তৃণমূল কংগ্ৰেছৰ সাংসদ সুখেন্দু শেখৰ ৰায় আৰু সুস্মিতা দেৱেও ৰাজ্যসভা আৰু দলৰ সদস্যপদ ত্যাগ কৰিছিল।

০০০০০০০০০

ওমান উপকূলত দুৰ্ঘটনাত পতিত হোৱা এম টি ছেটেবেল্ল’ নামৰ বাণিজ্যিক জাহাজখনৰ পৰা সন্ধানহীন হোৱা ৩ জন ভাৰতীয় নাৱিকৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰা হৈছে। ওমানৰ উপকূলত এই টেংকাৰখনত আমেৰিকা যুক্তৰাষ্ট্ৰই মিছাইল আক্ৰমণ কৰিছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ইয়াৰে দুজন নাগৰিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰে। শ্ৰীসোণোৱালে এই দুখৰ সময়ত নাৱিকসকলৰ পৰিয়ালৰ সৈতে চৰকাৰ আছে বুলি উল্লেখ কৰে। তেওঁ লগতে নিহতকেইজনৰ নিকটত্মায়ীলৈ যাৱতীয় সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়ে।

উল্লেখযোগ্য যে হৰমুজ প্ৰণালীৰ দক্ষিণত কিছুদিন পূৰ্বে ২৪ জন ভাৰতীয় নাৱিক থকা এই বাণিজ্যিক জাহাজখনত জুই লাগে। এই দুৰ্ঘটনাৰ পৰা ২১ জন নাৱিকক উদ্ধাৰ কৰা হয় আৰু প্ৰাৰম্ভিক তথ্যত তিনিজন নাৱিক সন্ধানহীন হোৱা বুলি প্ৰকাশ কৰা হয়।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে আহমেদাবাদৰ মেট্ৰ’ ৰে’ল প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ বাবে কেন্দ্ৰীয় কেবিনেটৰ অনুমোদনৰ ফলত যোগাযোগ উন্নত হ’ব। বিশেষকৈ বিমান বন্দৰলৈ যাত্ৰা সুচল আৰু সময় ৰাহি হ’ব। এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে, এই প্ৰকল্পৰ ৰূপায়ণে যান-জঁটৰ সমস্যা হ্ৰাস কৰাৰ উপৰি নিয়োগৰ সুযোগ সৃষ্টি কৰিব আৰু বহনক্ষম চহৰ বিকাশত অৰিহণা যোগাব।

০০০০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক’ৰ ১৬ টা স্থানত অনুষ্ঠিত হ’ব। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত এইবাৰ প্ৰথম বাৰৰ বাবে ৩২ খন দেশৰ পৰিৱৰ্তে ৪৮ খন দেশে অংশগ্ৰহণ কৰিব। এই দলসমূহক ১২ টা গ্ৰুপত ভাগ কৰা হৈছে আৰু প্ৰতিটো গ্ৰুপত চাৰিটাকৈ দল থাকিব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই পোনপটীয়াকৈ নক-আউট পৰ্যায়ত প্ৰৱেশ কৰিব। ইয়াৰ উপৰি তৃতীয় স্থানত থকা দল কেইটাও নক-আউট পৰ্যায়লৈ যোগ্যতা লাভ কৰিব।

প্ৰতিযোগিতাত মুঠ ১০৪ খন খেল অনুষ্ঠিত হ’ব। ইয়াৰে ভিতৰত ৭২ খন গ্ৰুপ পৰ্যায়ত আৰু ৩২ খন নক-আউট পৰ্যায়ৰ খেল আছে। ফাইনেল খেল ১৯ জুলাইত অনুষ্ঠিত হ’ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি আয়োজক দেশ মেক্সিক’, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

সমাপ্ত